**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-10-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

0000000

দেশ আৰু জাতিৰ হকে প্ৰাণ আহুতি দিয়া জোৱানসকলক স্মৰণ কৰি আজি দেশজুৰি আৰক্ষীৰ স্মৃতি দিৱস পালন কৰা হৈছে। এই উপলক্ষে আজি গৃহমন্ত্ৰী অমিত শ্বাহে নতুন দিল্লীৰ ৰাষ্ট্ৰীয় আৰক্ষীৰ স্মাৰকত পুষ্পাঞ্জলি অৰ্পণ কৰে। শ্ৰী শ্বাহৰ লগতে গৃহ ৰাজ্য মন্ত্ৰী বন্দি সঞ্জয় কুমাৰ, গৃহ সচিব গোবিন্দমোহন, চোৰাংচোৰা সংস্থাৰ সঞ্চালক তপন কুমাৰ ডেকা সহ আন আন বিশিষ্ট ব্যক্তিসকলেও ৰাষ্ট্ৰীয় আৰক্ষী স্মাৰকত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কৰ্তব্যৰ সময়ত নিজৰ সৰ্বোচ্চ বলিদান দি অমৰ হোৱা শ্বহীদসকলক স্মৰণ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰী শ্বাহে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে এই দিৱসত আৰক্ষী কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালে কৰা ত্যাগক সন্মান জনোৱা হয়। তেওঁ কয় যে দেশত ৩৬ হাজাৰ ৪৬৮ গৰাকী কৰ্তবৰত আৰক্ষী কৰ্মীয়ে প্ৰাণ আহুতি দিছে।

ইফালে, অসম আৰক্ষীয়েও কাহিলীপাৰাৰ চতুৰ্থ অসম আৰক্ষী বেটেলিয়ানত আৰক্ষী স্মৃতি দিৱস পালন কৰে। এই দিৱসৰ কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিং, আৰক্ষী আয়ুক্ত দিগন্ত বৰাকে ধৰি শীৰ্ষ আৰক্ষী বিষয়াসকল উপস্থিত থাকে। অনুষ্ঠানত আৰক্ষী জোৱাসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ৰাজ্যপাল শ্ৰী আচাৰ্যই কয় যে চলিত বৰ্ষত সমগ্ৰ দেশত ২১৪ জন কৰ্তব্যৰত আৰক্ষী জোৱানৰ মৃত্যু হয়। এইসকলৰ ভিতৰত অসমৰো ছজন জোৱানে প্ৰাণ আহুতি দিবলগীয়া হৈছিল। দেশৰ প্ৰতি এনে সৰ্বোচ্চ বলিদানৰ বাবে জোৱানসকলক আজিৰ দিনটোত স্মৰণ কৰা হৈছে বুলি শ্ৰী আচাৰ্যই ব্যক্ত কৰে। ইফালে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আৰক্ষী স্মৃতি দিৱসৰ আজিৰ দিনটোত জোৱানসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সামাজিক মাধ্যমযোগে আইন-শৃংখলা ৰক্ষা আৰু নাগৰিক সুৰক্ষা সুনিশ্চিত কৰা অহৰ্নিশে কৰ্তব্যৰত আৰক্ষীসকলক কৃতজ্ঞতা জ্ঞাপন কৰে।

**যোৰহাট**তো জিলা আৰক্ষীৰ উদ্যোগত পুলিচ ৰিজাৰ্ভত আজি আৰক্ষী স্মৃতি দিৱস পালন কৰা হয়। জিলা আৰক্ষী অধীক্ষকে মুখ্য অতিথিৰূপে যোগদান কৰা অনুষ্ঠানটোত কৰ্তব্যৰত আৰক্ষী বিষয়াসকলক স্মৰণ কৰা হয়। তেওঁলোকৰ সাহস আৰু নিষ্ঠা সমাজৰ বাবে পাথেয় স্বৰূপ বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে।

0000000

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। ইতিপূৰ্বে শাসকীয় বিজেপিয়ে ৩টা সমষ্টিত প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ বিপৰীতে কংগ্ৰেছ দলেও চাৰিটা সমষ্টিৰ বাবে দলীয় প্ৰাৰ্থীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে।

উপ-নিৰ্বাচনৰ বাবে ৩২ নম্বৰ বঙাইগাঁও বিধানসভা সমষ্টিত অগপৰ হৈ দিপ্তীময়ী চৌধুৰীৰ নাম চূড়ান্ত কৰা হৈছে। অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰাই দলীয় প্ৰাৰ্থী হিচাপে শ্ৰীমতী চৌধুৰীক মনোনীত কৰে।

ইফালে, উপ-নিৰ্বাচনত পাঁচোটা সমষ্টিতে শাসনাধিষ্ঠিত বিজেপি মিত্ৰজোঁটে জয়লাভ কৰিব বুলি আজি মন্ত্ৰী কেশৱ মহন্তই বৰপেটাত সাংবাদিকৰ আগত মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে বঙাইগাঁৱত অসম গণ

পৰিষদৰ প্ৰাৰ্থীগৰাকীয়ে বিপুল ভোটত জয়লাভ কৰিব বুলি দাবী কৰে। তেওঁ কয় যে বিগত ৩৮ বছৰে সমষ্টিটোত অসম গণ পৰিষদে জয়লাভ কৰি আহিছে। আনহাতে, শাসনাধিষ্ঠিত বিজেপি মিত্ৰজোঁটে উপ-নিৰ্বাচনত চামগুৰি সমষ্টিতো জয়লাভ কৰিব বুলি দাবী কৰি শ্ৰী মহন্তই বিৰোধী পক্ষৰ মূল্যবোধহীন নিৰ্বাচনী কুচ কাৱাজৰ তীব্ৰ সমালোচনা কৰে।

বিৰোধী পক্ষৰ পৰা কংগ্ৰেছে বঙাইগাঁও সমষ্টিত প্ৰাক্তন আৰক্ষী বিষয়া ব্ৰজেনজিৎ সিন্হাক মনোনীত কৰিছে। বঙাইগাঁৱৰ ৰাজীৱ ভৱনত আজি শ্ৰী সিন্হাক দলীয় কৰ্মীসকলে আদৰণি জনাই সমষ্টিটোৰ পৰা তেওঁ বিপুল ভোটত জয়ী হ'ব বুলি দাবী কৰে।

ইপিনে, উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ইউ পি পি এল দলেও চিদলী সমষ্টিৰ বাবে নিৰ্মল কুমাৰ ব্ৰহ্মাক বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে।

০০০০০০০

যোৱা ৫ আৰু ৬ অক্টোবৰত তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ এজন অভিযন্তাৰ অপহৰণৰ ষড়যন্ত্ৰত জড়িত থকা এজন যুৱকে আজি শিৱসাগৰ সদৰ আৰক্ষী থানাত আত্মসমৰ্পণ কৰে। শিৱসাগৰৰ ধাইআলিৰ বাসিন্দা জৰিফত আহমেদ নামৰ যুৱকজনৰ শিৱসাগৰ আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। বৰ্তমানলৈকে ঘটনাৰ লগত জড়িত অন্য চাৰিজন যুৱকক আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সমৰ্থ হৈছে। ইফালে, অন্য এজন যুৱক পলাতক অৱস্থাত আছে।

০০০০০০০

জাপানীজ এনচেফেলাইটিছৰ প্ৰাপ্তবয়স্ক টীকাকৰণ অভিযানৰ বাবে আজি শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা কৰ্মবাহিনীৰ এখন সভা অনুষ্ঠিত হয়। সভাখন মুকলি কৰি স্বাস্থ্য বিভাগৰ অতিৰিক্ত জিলা আয়ুক্তই সকলো অংশীদাৰক আদৰণি জনায়। সভাত চলিত বৰ্ষৰ ১৫ নৱেম্বৰত আৰম্ভ কৰিবলগীয়া টীকাকৰণ অভিযানত প্ৰাপ্ত বয়স্ক সকলো ব্যক্তিকে সামৰি লোৱাৰ প্ৰয়োজনীয় কৌশলসমূহৰ বিষয়ে আলোচনা কৰা হয়। স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকে এই অভিযানৰ বিষয়ে অৱগত কৰি কয় যে অসমৰ চাৰিখন জিলাক জাপানীজ এনচেফেলাইটিছ টীকাকৰণ অভিযানৰ আওঁতাত সামৰি লোৱা হৈছে। চলিত বৰ্ষৰ ছেপ্তেম্বৰ মাহত শোণিতপুৰ জিলাত ৪৬ জন ব্যক্তি এই ৰোগত আক্ৰান্ত হৈছে আৰু ইয়াৰ ভিতৰত দুজনে প্ৰাণ হেৰুৱাইছে। সভাত অংশীদাৰ বিভাগসমূহৰ মাজত সমন্বয় আৰু সহযোগিতাৰ আহ্বান জনাই বিভাগীয় কৰ্তৃপক্ষই জিলাখনৰ মুঠ জনসংখ্যাৰ প্ৰায় ৪৭ শতাংশ টীকাকৰণ কৰিব লাগিব বুলি জানিবলৈ দিয়ে।

০০০০০০০

ডিব্ৰুগড় টাউন মিচিং কেবাঙৰ প্ৰাক্তন সভাপতি তথা অসম চিকিৎসা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তাৰিণী টায়েঙৰ আজি দেহাৱসান ঘটে। ২০১০ চনত চিকিৎসা মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা টায়েং ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদ, সদৌ অসম মেডিকেল লেবৰেটৰী টেকনিচিয়ান সন্থাৰ লগতে কেইবাটাও অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল। তেওঁৰ মৃত্যুত বিভিন্ন সংগঠন আৰু ব্যক্তিবিশেষ শোক প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**